# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL

নুনমাটি, গুৱাহাটী-৭৮১০২০

Noonmati, Guwahati-781020

Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com


প্ৰসংগ ঃ অজাবি/ শিপ্ৰ/ ৪৩/ ১৯ তাৰিখ ঃ ১২-০৭-১৯

Ref : Date :

## অসম জাতীয় বিদ্যালয়ত শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী

**গুৱাহাটী, ১২ জুলাই, ২০১৯ :** বিগত বছৰবোৰৰ দৰে এইবছৰো নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ত ৮ জুলাই, ২০১৯ ৰপৰা ১২ জুলাই, ২০১৯ লৈ অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অধীনত শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। এই কাৰ্যসূচীত অসমৰ বিভিন্ন প্ৰান্তৰ জাতীয় বিদ্যালয়সমূহৰ সৰ্বমুঠ ৩১৬ গৰাকী শিক্ষক -শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। বিদ্যালয়খনৰ প্ৰাক্-বিদ্যালয় শাখাৰ লগতে ইংৰাজী, অসমীয়া, গণিত, বিজ্ঞান, সমাজ বিজ্ঞান, হিন্দী আৰু সুকুমাৰ কলা বিভাগে সুকীয়া সুকীয়াকৈ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰে।

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ আৰু অধ্যাপক উদয় চন্দ্ৰ দত্ত সোঁৱৰণী শৈক্ষিক ন্যাসৰ যুটীয়া উদ্যোগত অনুষ্ঠিত হোৱা ইংৰাজী বিষয়ৰ শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গোবিন্দ প্ৰসাদ শৰ্মাই উপস্থাপক বক্তা হিচাপে আদৰণী ভাষণ আগবঢ়ায়। ইংৰাজী বিষয়ৰ প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি বিচাপে আমন্ত্ৰণ জনোৱা ব্যক্তিসকল আছিল ক্ৰমে - সপোন দুৱৰা, ড° মিজো প্ৰভা বৰা, নীৰেন্দ্ৰ নাথ ঠাকুৰীয়া, চিত্ৰ লেখা শৰ্মা, ড° খামচেং বৰুৱা, ড° অভিজ্ঞান প্ৰসাদ আৰু ড° প্ৰাঞ্জনা কলিতা নাথ। বিভাগীয় শিক্ষয়িত্ৰী অপৰাজিতা দত্ত, ডলী চৌধুৰী আৰু প্ৰীতিলতা পাটগিৰিয়েও কাৰ্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰে।

অসমীয়া বিষয়ৰ শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীৰ উপস্থাপক বক্তা হিচাপে উপস্থিত থাকে ৰাষ্ট্ৰীয় বঁটা প্ৰাপক বিশিষ্ট বিজ্ঞানী, বিজ্ঞান বিষয়ক জনপ্ৰিয় লেখক আৰু অভিধান প্ৰণেতা ড° দীনেশ চন্দ্ৰ গোস্বামী। এই বিষয়ৰ প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে উপস্থিত থকা ব্যক্তিসকল হৈছে ড° প্ৰাঞ্জল বুঢ়াগোহাঁই, ড° স্বপ্নাৰাণী বৰা আৰু ড° অৰূপ কুমাৰ নাথ। বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে কবিতা পাটগিৰি, পল্লৱী গোস্বামী, কান্তাশ্ৰী গোস্বামী, ভাস্কৰজ্যোতি হালৈ আৰু পলাশ কুমাৰ নাথেও কাৰ্যসূচীত প্ৰশিক্ষণ আগবঢ়ায়।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, গুৱাহাটীৰ ডীন ড° দিব্যজ্যোতি মহন্ত উপস্থাপক বক্তা হিচাপে উপস্থিত থকা গণিত বিষয়ৰ প্ৰশিক্ষণ কাৰ্যসূচীতো কেইবাগৰাকীও সমল ব্যক্তিক আমন্ত্ৰণ জনোৱা হৈছিল। তেওঁলোক হৈছে ক্ৰমে - ড° মৃণাল কলিতা, সুশীল চন্দ্ৰ বৰঠাকুৰ, ড° তাৰিণী কুমাৰ দত্ত আৰু ড° প্ৰবীণ দাস। বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে যুথিকা পাটোৱাৰী, নিবেদিতা তালুকদাৰ, হিৰণ্য কলিতা আৰু বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে এই কাৰ্যসূচীত প্ৰশিক্ষণ আগবঢ়ায়।

বিজ্ঞান বিষয়ৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ উপস্থাপক বক্তা হিচাপে উপস্থিত আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতী। প্ৰশিক্ষণৰ আন আন সমল ব্যক্তিসকল হৈছে যথাক্ৰমে - ক্ষীৰধৰ বৰুৱা, ড° হিৰণ্য কুমাৰ চৌধুৰী, ড° কমল চৌধুৰী, ড° ৰাতুল চন্দ্ৰ ৰাজখোৱা, আদিত্য কলিতা আৰু লোকেশ চক্ৰৱৰ্তী। বিদ্যালয়ৰ শিক্ষক ত্ৰিদিব কুমাৰ চৌধুৰী আৰু শিক্ষয়িত্ৰী উদয়া ফুকনেও এই কাৰ্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰে।

সমাজ বিজ্ঞান বিষয়ৰ প্ৰশিক্ষণ কাৰ্যসূচীত অমিয় কুমাৰ দাস ইনষ্টিটিউট অব চ'ছিয়েল চেঞ্জ এণ্ড ডেভেলপমেণ্টৰ সঞ্চালক ড° কল্যাণ দাসে উপস্থাপক বক্তা হিচাপে বক্তৃতা আগবঢ়ায়। কাৰ্যসূচীৰ আন আন সমল ব্যক্তিসকল হৈছে ক্ৰমে - ড° অৱনী কুমাৰ ভাগৱতী, ড° ধ্ৰুৱ প্ৰতিম শৰ্মা, ড° মাধুৰ্য প্ৰসাদ বেজবৰুৱা আৰু ড° সুনীল পৱন বৰুৱা। বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে - অপৰ্ণা দেৱী, অসীম কৃষ্ণ বৰুৱা, সোণালী গগৈ, নিজৰা গোহাঁই, ধ্ৰুৱ শৰ্মা আৰু মানসী বৰুৱাই কাৰ্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ সহযোগী অধ্যাপক ড° অচ্যুত শৰ্মাই উপস্থাপক বক্তা তথা সমল ব্যক্তি হিচাপে হিন্দী বিষয়ৰ প্ৰশিক্ষণ কাৰ্যসূচীত উপস্থিত থাকে। আন দুগৰাকী সমল ব্যক্তি ড° জুৰি দেৱী, কবিতা বৰদলৈ আৰু বিদ্যালয়ৰ হিন্দী বিভাগৰ মুৰব্বী ৰঘুনাথ কুমাৰে এই কাৰ্যসূচীত প্ৰশিক্ষণ আগবঢ়ায়।

সুকুমাৰ কলা বিষয়ৰ প্ৰশিক্ষণ কাৰ্যসূচীত উপস্থাপক বক্তা হিচাপে উপস্থিত থাকে কামৰূপ ডায়েট (DIET) ৰ প্ৰৱক্তা কমল কুমাৰ মহন্ত। বিভাগীয় মুৰব্বী কুঞ্জৰ দাস, শিক্ষক কন্দৰ্প শৰ্মা আৰু শিক্ষয়িত্ৰী পূৰবী ৰাণী বড়াইও কাৰ্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰে।

বিদ্যালয়ৰ প্ৰাক্-বিদ্যালয় শাখাত প্ৰশিক্ষণ কাৰ্যসূচীৰ উপস্থাপক বক্তা হিচাপে উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে পাণ্ডু মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা ড° ৰুমা মেধিয়ে। এই শাখাত প্ৰশিক্ষণ প্ৰদান কৰা আন আন সমল ব্যক্তিসকল হৈছে যথাক্ৰমে - ডা° সংগীতা শৰ্মা, নিৰ্মালী অধিকাৰী আৰু মঞ্জুৰী ভড়ালী। বিদ্যালয়ৰ এই শাখাৰ শিক্ষয়িত্ৰী উৎপলা বৰা, জুৰি গোস্বামী, অলকা গোস্বামী, জুলি শইকীয়া আৰু

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

প্ৰসংগ ঃ
Ref :

তাৰিখ ঃ
Date :

মধুস্মিতা দেৱীয়েও কাৰ্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰে।

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক) ৰ অধ্যক্ষ ৰঞ্জিত নাৰায়ণ ডেকা, উপাধ্যক্ষ দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডাঃ নাৰায়ণ শৰ্মা আৰু বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিৰ দিহা পৰামৰ্শ তথা শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীৰ সহযোগিতাত এই প্ৰশিক্ষণ কাৰ্যসূচীৰ সফল পৰিসমাপ্তি ঘটে। এই সমগ্ৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ সমন্বয়কৰ দায়িত্বত থাকে বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী অপৰাজিতা দত্ত।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭